# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ৰাজধানী ভূবনেশ্বৰত অনুষ্ঠিত সদৌ ভাৰত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা পৰিদৰ্শক সন্মিলনত অংশগ্ৰহণ কৰিব।

২।  উন্নত ভাৰত এতিয়া সপোন হৈ থকা নাই, বৰং প্ৰত্যাহ্বানমূলক লক্ষ্য আৰু সংকল্পৰে দেশ এই লক্ষ্যত উপনীত হ'ব বুলি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য ক'ৰিছে।

৩।  কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি বিহাৰৰ মধুবনি জিলাৰ ঝাঝৰপুৰত এটা অনুষ্ঠানত ৫০ হাজাৰৰো অধিক হিতাধিকাৰীলৈ এহেজাৰ ১২১ কোটিৰো অধিক টকাৰ অনুমোদন পত্ৰ আৰু ঋণ হস্তান্তৰ কৰে।

৪।  গৃহ যুদ্ধত জৰ্জৰিত ছিৰিয়াত সশস্ত্ৰ বিৰোধী বাহিনীয়ে দেশখনৰ দ্বিতীয় বৃহৎ মহানগৰ এলেপ্পা অধিকাৰ কৰিছে। *আৰু*

৫।  ১৯ বছৰৰ অনুৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আৰু পাকিস্তানৰ মাজত গ্ৰুপ-এৰ এদিনীয়া আন্তৰ্জাতিক খেলখন সংযুক্ত আৰব আমিৰশ্বাহীৰ ডুবাই আন্তৰ্জাতিক ষ্টেডিয়ামত চলি আছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ৰাজধানী ভূবনেশ্বৰত অনুষ্ঠিত সদৌ ভাৰত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা পৰিদৰ্শক সন্মিলনত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ভূবনেশ্বৰৰ লোকসেৱা ভৱনৰ প্ৰেক্ষাগৃহত আয়োজিত তিনিদিনীয়া সন্মিলখন উদ্বোধন কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ সন্মিলখনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী কাৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি শ্ৰীমোদীয়ে ইতিমধ্যে সন্মিলনখনত মুকলি আৰু তথ্য সমৃদ্ধ আলোচনা হ'ব বুলি আশা প্ৰকাশ কৰিছে।

গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ড'ভাল আৰু প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব পি কে মিশ্ৰয়ো এই সন্মিলনখনত অংশগ্ৰহণ কৰিছে। এই সন্মিলখনত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিভিন্ন দিশৰ লগতে সীমান্তৰ সিপাৰৰ পৰা চলি থকা সন্ত্ৰাসবাদ, বাওঁ উগ্ৰপন্থী সমস্যা, উপকূল সুৰক্ষা, চাইবাৰ অপৰাধ, নতুন ফৌজদাৰী আইন, মাদক দ্ৰব্যৰ প্ৰতিৰোধ আদিৰ বিষয়ে আলোচনা হ'ব। এই সন্মিলনতে অনবদ্য সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক লাভ কৰা সকলক আনুষ্ঠানিকভাৱে পদক প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ওড়িশাত তিনিদিনীয়া ভ্ৰমণসূচী লৈ কালি সন্ধিয়া ভূৱনেশ্বৰত উপস্থিত হৈছিল।

০০০০০০

উন্নত ভাৰত এতিয়া সপোন হৈ থকা নাই বৰং প্ৰত্যাহ্বানমূলক লক্ষ্য আৰু সংকল্পৰে দেশে এই লক্ষ্যত উপনীত হ'ব বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে মন্তব্য কৰিছে। নতুন দিল্লীত আজি উন্নত ভাৰত ২০৪৭: নতুন ভাৰতৰ লক্ষ্য ৩.০ সমাবেশত ভাষণ দি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতীয় অৰ্থনীতি আৰু আন্তঃগাঁথনি, ডিজিটেল আন্তঃগাঁথনি আৰু ডিজিটেল অনুপ্ৰৱেশক আই এম এফ, বিশ্ব বেংক আৰু বিশ্ব অৰ্থনৈতিক মঞ্চই প্ৰশংসা কৰিছে। বিনিয়োগ আৰু সুযোগৰ বাবে ভাৰত উল্লেখযোগ্য স্থান হিচাপে আই এম এফে ভাৰতক স্বীকৃতি দিয়া বুলিও শ্ৰীধনখৰে মন্তব্য কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে অতি কম সময়ৰ ভিতৰতে ৫০ কোটিৰো অধিক লোকক বেংকিং ব্যৱস্থাৰ সৈতে সংযোগ কৰা হৈছে। তেওঁ লগতে ভ'কেল ফৰ লোকেলৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উপৰাষ্ট্ৰপতিগৰকীয়ে জনসাধাৰণক নিজৰ প্ৰয়োজন অনুসৰিহে সম্পদ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি বিহাৰৰ মধুবনি জিলাৰ ঝাঝৰপুৰত এটা অনুষ্ঠানত ৫০ হাজাৰৰো অধিক হিতাধিকাৰীলৈ এহেজাৰ ১২১ কোটিৰো অধিক টকাৰ অনুমোদন পত্ৰ আৰু ঋণ হস্তান্তৰ কৰে। শ্ৰীমতী সীতাৰমণে প্ৰধানমন্ত্ৰী স্বনিধি, প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা, মুদ্ৰা, ষ্টেণ্ড আপ ইণ্ডিয়া আৰু কিষান ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত এই ঋণ বিতৰণ কৰে।

ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰীগৰাকীয়ে বিভিন্ন আত্মসহায়ক গোটৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ হস্তশিল্প, মাটিৰ পাত্ৰ, কাঠফুলা আৰু অন্যান্য কৃষি উৎপাদনেৰে সাফল্য লাভ কৰা **জীৱিকা দিদি**ৰ সৈতে বিশেষভাৱে কথা পাতে। বিহাৰ ভ্ৰমণৰ সামৰণিৰ দিনটোত শ্ৰীমতী সীতাৰমণে মধুবনি জিলাৰ সৌৰথলৈ যাব। তাত তেওঁ চিত্ৰশিল্পী, হস্তশিল্পত জৰিত মহিলা আৰু মধুবনি পেইণ্টিঙৰ শিল্পীসকলক সাক্ষাৎ কৰিব। তদুপৰি সৌৰথৰ মিথিলা চিত্ৰকলা সংস্থানত শ্ৰীমতী সীতাৰমণে পদ্ম সন্মানপ্ৰাপকসকলৰ সৈতেও মত বিনিময় কৰিব।

০০০০০

বিধানসভা নিৰ্বাচনৰ পাছত মহাৰাষ্ট্ৰৰ নতুন মুখ্যমন্ত্ৰী বাছনিৰ বাবে মহাজুটিৰ নেতৃবৰ্গৰ মাজত প্ৰায় এসপ্তাহ ধৰি মুম্বাই আৰু দিল্লীত বৈঠক চলি আছে। ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেই সন্দৰ্ভত এতিয়াও আনুষ্ঠানিক সিদ্ধান্ত হোৱা নাই যদিও বিজেপি আৰু শিৱসেনাৰ এটা সূত্ৰই প্ৰকাশ কৰা অনুসৰি ৫ ডিচেম্বৰত আজাদ ময়দানৰ এটা অনুষ্ঠানত নতুন মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ কৰিব।

মুঠ ২৮৮খন আসনবিশিষ্ট মহাৰাষ্ট্ৰ বিধানসভাত এইবাৰ ৭৮ গৰাকী বিজয়ী প্ৰাৰ্থীয়ে প্ৰৱেশ কৰিব আৰু এয়া মুঠ আসনৰ প্ৰায় ২৭ শতাংশ। এই নতুনসকলৰ ভিতৰত বিজেপিৰ ৩৩গৰাকী, শিৱসেনাৰ ১৪ গৰাকী আৰু এন চি পিৰ ৮ গৰাকী বিধায়ক আছে। আনহাতে শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ ১০গৰাকী, কংগ্ৰেছ ছগৰাকী আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটৰ ৪ গৰাকী নতুন বিধায়ক আছে।

০০০০০

গৃহ যুদ্ধত জৰ্জৰিত ছিৰিয়াত সশস্ত্ৰ বিৰোধী বাহিনীয়ে দেশখনৰ দ্বিতীয় বৃহৎ মহানগৰ এলেপ্প' অধিকাৰ কৰিছে। দেশখনৰ উত্তৰ পশ্চিম অংশত বিৰোধী বাহিনীয়ে সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ কৰাৰ কেইদিনমানৰ পাছতে মহানগৰখনত অধিকাৰ সাব্যস্ত কৰে। ইছলামিক

সন্ত্ৰাসবাদী গোট হায়াত তেহৰিৰ  অল-ছ্যাম আৰু ইয়াৰ বিভক্ত গোটসমূহে ইতিমধ্যে ৰাষ্ট্ৰপতি বাছাৰ অল- আছাদৰ বাহিনীক পৰাস্ত কৰি এলেপ্প' আৰু আইডিব প্ৰদেশৰ কেইবাখনো নগৰ-গাঁও অধিকাৰ কৰিছে। চৰকাৰী বাহিনীয়ে ২০১৬ চনত পুনৰ অধিকাৰ কৰাৰ পাছত এলেপ্প' মহানগৰত এইটো হৈছে সৰ্ববৃহৎ আক্ৰমণ। ছিৰিয়াত ২০১১ চনৰ পৰা চলি থকা গৃহ যুদ্ধ বৰ্তমানলৈকে ৫ লাখৰো অধিক লোকৰ মৃত্যু হৈছে। ৪ লাখৰো অধিক লোক বাসকৰা আইডিব বিৰোধীৰ শক্তিশালী ঘাটি হিচাপে পৰিগণিত হৈ আহিছে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ পুনৰ সংযোগ কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

oooooo

ঘূৰ্ণীবতাহ ফেইঞ্জলৰ প্ৰভাৱত হ'ব পৰা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুডুচেৰীত সতৰ্কতা অৱলম্বন কৰা হৈছে। জনসাধাৰণৰ সুৰক্ষা নিশ্চিত

কৰিবলৈ উপকূলীয় অঞ্চলত ৩০০ৰো অধিক আৰক্ষী জোৱান নিয়োগ কৰা হৈছে। আনহাতে উপকূলীয় পথসমূহো বন্ধ কৰি দিয়াৰ লগতে এই অঞ্চলসমূহত ৰাজহুৱা প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ কলাই-ভানানে উপকূলীয় অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে আজি পুৱাৰ পৰা সমগ্ৰ পুডুচেৰীত পাতলীয়া বৰষুণ হৈছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

oooo

১৯ বছৰৰ অনুৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আৰু পাকিস্তানৰ মাজত গ্ৰুপ-এৰ এদিনীয়া আন্তৰ্জাতিক খেলখন সংযুক্ত আৰব আমিৰশ্বাহীৰ ডুবাই আন্তৰ্জাতিক ষ্টেডিয়ামত চলি আছে। গ্ৰুপৰ এই আৰম্ভণি খেলখনত আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি পাকিস্তানে ৪৩ অভাৰত ৩টা উইকেট হেৰুৱাই ২৪১ ৰান কৰি আছিল। পাকিস্তানে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছিল।

গ্ৰুপ-এৰ আন এখন খেলত সংযুক্ত আৰব আমিৰশ্বাহীয়ে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। শ্বাৰজাহ ক্ৰিকেট ষ্টেডিয়ামত চলি থকা খেলখনত শেহতীয়া বাতৰি অনুসৰি দলটোৱে জাপানৰ বিৰুদ্ধে ৪৭ অভাৰ ৫টা বলত ৪টা উইকেট হেৰুৱাই ৩০৯ ৰান কৰিছে। oooooo

oooooo